# রাষ্ট্ৰীয় নাগৰিক পঞ্জী, ৰাজ্যিক সমন্বয়কৰ কাৰ্য্যালয়

অচ্যুত প্লাজা (১ম মহলা), ভৰলুপাৰ, ভঙাগড়, গুৱাহাটী - ৭৮১০০৫

## কামৰূপ মেট্ৰ' জিলাৰ এনআৰচি আবেদনকাৰীসকলৰ বাবে ক্ষেত্ৰ পৰীক্ষণৰ বিশেষ অভিযান সন্দৰ্ভত জাননী

কামৰূপ মেট্ৰ' জিলাৰ সেইসকল আবেদনকাৰীৰ বাবে ইয়াৰ দ্বাৰা জাননী জাৰী কৰা হৈছে যে যিসকল আবেদনকাৰীয়ে বিভিন্ন কাৰণবশতঃ তেওঁলোকৰ বৰ্তমানৰ স্থায়ী / অস্থায়ী বাসস্থানত উপস্থিত নাই, তেওঁলোকৰ অনুপস্থিতিত এনআৰচি পৰীক্ষণকাৰী দলৰ দ্বাৰা ঘৰে ঘৰে গৈ পৰীক্ষণ কৰা সম্ভৱ হোৱা নাই। এইসকল আবেদনকাৰীৰ আবেদনৰ পৰীক্ষণ সম্পন্ন কৰাৰ বাবে ১৫ ডিচেম্বৰৰ পৰা ২৫ ডিচেম্বৰ, ২০১৫ লৈ এক বিশেষ পৰীক্ষণ অভিযানৰ আয়োজন কৰা হৈছে। বৰ্তমানে কামৰূপ মেট্ৰ' জিলাৰ বাসস্থানত উপস্থিত নথকা সেই আবেদনকাৰীসকললৈ অনুৰোধ কৰা হৈছে, তেওঁলোকে যাতে দিছপুৰ আৰু গুৱাহাটী ৰাজহ চক্ৰৰ যিকোনো এটি এনআৰচি সেৱা কেন্দ্ৰত উপৰোক্ত তাৰিখৰ পুৱা ১০:০০ বজাৰ পৰা বিয়লি ৫:০০ বজাৰ ভিতৰত তেওঁলোকৰ আবেদনপত্ৰসমূহ পৰীক্ষা কৰাই লয়। দিছপুৰ আৰু গুৱাহাটীৰ ৰাজহ চক্ৰৰ অধীনত থকা এনআৰচি সেৱা কেন্দ্ৰ বিচাৰি উলিয়াবলৈ আবেদনকাৰীসকলে এনআৰচি, অসমৰ ৱেবচাইট (www.nrcassam.nic.in)ৰ "ন' ইয়ৰ এনএছকে" (নিজৰ এনএছকে জানি লওক) অংশটো চাব পাৰে নাইবা সহায়ৰ বাবে আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ 15107 / 18003453762ত ফোন কৰিব পাৰে।

*ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, ৰাজ্যিক সমন্বয়কৰ কাৰ্য্যালয়ৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত*